
আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 17, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২১ Guwahati, Assam ।। মূল্যঃ এটকা




■ লক্ষ্য-উদ্দেশ্য কি? দেশৰ শীৰ্ষৰ দুই দলৰ দুই নেতা... দক্ষিণৰ মন্দিৰত নৰেন্দ্ৰ মোদী আৰু উত্তৰ-পূবত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা

## জোনমণি ৰাভাৰ মাতৃৰ কাষত অলকা লাম্বা

জোনমণি ৰাভাৰ দুৰ্ভগীয়া মাতৃৰ কাষলৈ আজিও নগ'ল বিজেপিৰ নেতা-মন্ত্ৰী৷ আনকি মুখ্যমন্ত্ৰীও আজিলৈ উপস্থিত হোৱা নাই ঘৰখনত৷ সেই সময়তে দিল্লীৰ পৰা আহি জোনমণি ৰাভাৰ দুৰ্ভগীয়া মাতৃক সাক্ষাৎ কংগ্ৰেছ নেত্ৰী অলকা লাম্বাৰ৷ ■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক

## হিমন্তৰ আচম্বিত কলকাতা ভ্ৰমণক লৈ বিশেষ চৰ্চা

# পশ্চিমবংগক গেৰুৱা কৰিব অসমৰ মুখ্যমন্ত্ৰীয়ে!

ই-সংবাদ, ১৭ জানুৱাৰীঃ লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাষ্ট্ৰীয় ৰাজনীতিত বাঢ়িছে হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্ব। বিশেষকৈ চুবুৰীয়া ৰাজ্য পশ্চিমবংগত খোপনি পুতিবলৈ এতিয়া অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সহায় লাগে বিজেপিৰ শীৰ্ষ নেতৃত্বক। ভোগালীৰ প্ৰাকক্ষণত হিমন্ত বিশ্ব শৰ্মাৰ আচম্বিত কলকাতা ভ্ৰমণৰ পিছতে এতিয়া এই চৰ্চা চলিছে।

■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক



## আদবাটতে বিস্ফোৰণ ৰাম মন্দিৰলৈ নিয়া ফটকা



■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত



## শিল্পী, কলা-কুশলীক উদ্দেশ্যি মুখ্যমন্ত্ৰীৰ বিশেষ বচন

# গান-চিনেমাত ৰাজনীতি নচলে!

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** অসমৰ বহু তথাকথিত গায়ক, অভিনেতাই শিল্পী সত্তাটোক ভৰিৰে মোহাৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ শিল্পীৰ হোৱাৰ অচিলাৰে ৰাজনৈতিক দলৰ পৰা সুবিধা লোৱাৰ লগতে চৰকাৰৰ হিতে কাম কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ ৰাইজৰ পক্ষ এৰি চৰকাৰী পক্ষক তৈলমৰ্দনত ব্যস্ত থকা একাংশ শিল্পীয়ে কেৱল সোঁৱে-বাৱে ধন আহৰণ কৰি আহিছে৷ চৰকাৰী পক্ষৰ খাছ মানুহ হৈ ঋণ লৈ ব্যৱসায় আৰম্ভ কৰিছে৷ ৱাইন চপ খুলিছে৷ ৰিজৰ্ট খুলিছে৷ অঙহী-বঙহীক বিভিন্ন চৰকাৰী সুবিধা প্ৰদান কৰিছে৷ মন্ত্ৰীসভাৰ সদস্য, শাসকীয় দলৰ নেতা-কৰ্মীৰ অনুষ্ঠানত প্ৰায়ে দেখা যায় এনে তথাকথিত গায়ক, অভিনেতাক৷ শিল্পী সত্তাটোৰ গাম্ভীৰ্যতা নিঃশেষ কৰি পেলাইছে একাংশ গায়ক, অভিনেতাই৷ আন একাংশ পোনে পোনে ৰাজনৈতিক দলত যোগদান কৰি সক্ৰিয় ৰাজনীতি কৰি গৈছে৷ সক্ৰিয় ৰাজনীতি কৰাৰ পাছতো গান গাবলৈ আৰু অভিনয় কৰিবলৈ এৰা নাই৷ দুখন নাঁৱত দুখন ভৰি থৈছে এইসকল অভিনেতা-ৰাজনীতিকে৷ যাৰ বাবে সমালোচনা সন্মুখীন হয়৷ ইয়াৰ ভিতৰতে নাম ল'ব পাৰি যতীন বৰা, সীমান্ত শেখৰ, জিতুল সোণোৱালৰ দৰে গায়ক, অভিনেতাৰ নাম৷ শাসকীয় দলত যোগদান কৰি সক্ৰিয় ৰাজনীতি কৰি আহিছে যতীন বৰা, সীমান্ত শেখৰ, জিতুল সোণোৱালে৷ চৰকাৰৰ সকলো পদক্ষেপকে সমৰ্থন কৰাৰ লগতে চৰকাৰৰ কথাত উঠ-বহ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে৷ অসমৰ শিল্পী, কলা-কুশলিয়ে ৰাজনীতিৰ সৈতে সনা-পোটোকা কৰাৰ বিষয়টোক লৈ অসমৰ সচেতন নাগৰিকে প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহিছে৷ তাৰ মাজতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজনীতি আৰু শিল্পীসকলক লৈ বিশেষ মন্তব্য কৰাৰ বিষয়টোৱে খুব চৰ্চা লাভ কৰিছে৷ মুখ্যমন্ত্ৰীয়ে শিল্পীক লৈ কৰা বিশেষ মন্তব্যই পোনপটীয়াকৈ আৰু আওপকীয়াকৈ ৰাজনীতিৰ সৈতে জড়িত শিল্পীসকলক সমালোচনা কৰাৰ অভিযোগ উত্থাপন হৈছে৷ সোমবাৰে পাঞ্জাবাৰীত 'আইদেউ' নাম এটা ছবিগৃহ মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বোলছবি এৰি ৰাজনীতিক মাধ্যম হিচাপে বাচি ল'লে প্ৰশ্ন আহিবই বুলি মত ব্যক্ত কৰে৷ মুখ্যমন্ত্ৰীৰ এনে বক্তব্যৰ পাছতে বিভিন্ন ৰাজনৈতিক দলত সক্ৰিয় হৈ থকা শিল্পীসকলক লৈ বিভিন্নজনে প্ৰশ্ন তুলিছে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাঘ বিহুৰ সময়তে যতীন বৰাৰ ৰাঘৰ চিনেমাৰ প্ৰসংগ টানি আনি শিল্পীয়ে ৰাজনীতিৰ সৈতে জড়িত হৈ থকা বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰে৷ ২০২৩ চনৰ ২৭ অক্টোবৰত যতীন বৰাৰ ৰাঘৰ নামৰ বোলছবিখন ছবিঘৰলৈ আহিছিল। ৰাঘৰৰ মুক্তিৰ পাছতে অসমৰ ৰাইজে ছবিখন বয়কট কৰে৷ চিনেমা হ'লত আসন খালী হৈ আছিল৷ ব্যাপক লোকচানৰ সন্মুখীন হোৱা যতীন বৰাৰ দুৰ্দশা স্পষ্ট হৈ পৰিছিল৷ ৰাইজক বাৰে বাৰে চিনেমাখন চাবলৈ অনুৰোধ জনাইছিল৷ কিন্তু ৰাইজে ছবিখন আকোৱালি নোলোৱাত ফ্লপ হয়৷ এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে কেইদিনমান পূৰ্বে যতীন বৰাৰ চিনেমা এখনে মুক্তি লাভ কৰিছিল। অৱশ্যে মোৰ চোৱাই নহ'ল। চিনেমাখনকলৈ বিজেপি-কংগ্ৰেছ চলিল। এতিয়া যদি বিজেপি আৰু কংগ্ৰেছ কৰিব লাগে, আমি সকলো বিজেপি সদস্যকে চিনেমাখন চাব লাগে বুলি কলোহেঁতেন। সকলো বিজেপি লোকেই চিনেমাখন চাবলৈ গ'লহেঁতেন৷ চিনেমাখনো হিট হ'লহেঁতেন। পাৰ্টি বুলিহে চাবলৈ গ'লহেঁতেন। আৰ্টিষ্ট বুলিতো কোনো নগ'লহেঁতেন। আজি-কালি এইধৰণৰ এটা নতুন পৰম্পৰা হ'চিয়েল মিডিয়াত আৰম্ভ হৈছে। যিটো চলচ্চিত্ৰ উদ্যোগটোৰ বাবে বিপদৰ ঘণ্টা। মই ভাবো তেনেকুৱা সৰু-সৰু কামৰ পৰা আমি দূৰত থাকিব লাগে। ইয়াৰ ফলত দীৰ্ঘকালীন বিৰূপ প্ৰভাৱ পৰিব৷ মুখ্যমন্ত্ৰীয়ে লগতে শিল্পী আৰু ৰাজনীতিক একাকাৰ কৰা সন্দৰ্ভতো মত ব্যক্ত কৰি কয় যে শিল্পীয়ে ছবি এৰি মত প্ৰকাশৰ অন্য মাধ্যম বাচি ল'লে ছবিজগতৰ ক্ষতি হয়। নিজৰ মাধ্যমৰ ভিতৰত থাকিয়ে শিল্পীসকলে প্ৰতিবাদ কৰিব লাগে। নিজৰ মাধ্যমত থাকি মত প্ৰকাশ কৰিলেহে নিজস্বতা অক্ষুণ্ণ থাকে। বোলছবি এৰি ৰাজনীতিক মাধ্যম বাচি ল'লে প্ৰশ্নটো উঠিবই। শিল্পীসকলে ইমান শক্তিশালী মাধ্যম থাকোতে অন্য মাধ্যমক হাইজেক কৰিবৰ দৰকাৰ নাই। উল্লেখ্য যে, ২০১৪ চনত ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল যতীন বৰাই। কিন্তু ২০১৯ চনত অসমৰ মানুহে নাগৰিকত্ব সংশোধনী আইন বিৰুদ্ধে প্ৰতিবাদ কৰি থকাৰ সময়তে যতীন বৰাই বিজেপিৰ পৰা পদত্যাগ কৰে। কিন্তু পুনৰ পাভলুটি মাৰে যতীন বৰাই৷ 'কা' আন্দোলনত যোগ দিয়াতো ভুল আছিল বুলি কৈ পুনৰ বিজেপিত যোগদান কৰে৷ লগতে নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলন আৰু ৫ শ্বহীদক লৈ টুলুঙা মন্তব্য দিয়ে৷ যাৰ বাবে যতীন বৰাক এসেকা দিবলৈ ৰৈ আছিল অসমীয়া মানুহ। ছবি 'ৰাঘৱ'ৰ মুক্তিৰ পূৰ্বৰ পৰা ছবিখন ফ্লপ কৰিবলৈ অভিযান চলাই অসমীয়া মানুহে৷ ছবিখন বয়কট কৰে৷ 'কা' আন্দোলনৰ সময়ত নাটক কৰা অসমৰ ৰাইজে ৰাঘৱ বয়কট কৰি এসেকা দিয়ে যতীন বৰাক।

# ঘৰ ৱাপচী! কংগ্ৰেছলৈ উভতিল ওড়িশাৰ জনজাতীয় নেতা, প্ৰাক্তন মুখ্যমন্ত্ৰী গিৰিধৰ গামাং

## পুত্ৰ-পত্নীৰো কংগ্ৰেছ দলত যোগদান, ঘূৰিব সঞ্জয় ভোই



**ই-সংবাদ, ১৭ জানুৱাৰীঃ** পুনৰ কংগ্ৰেছলৈ উভতি আহিল ওড়িশাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গিৰিধৰ গামাং৷ আজি দিল্লীত কংগ্ৰেছৰ কোষাধ্যক্ষ অজয় মাকেন, ওড়িশা কংগ্ৰেছৰ সভাপতি ড০ অজয় কুমাৰৰ উপস্থিতিত প্ৰাক্তন মুখ্যমন্ত্ৰী গিৰিধৰ গামাঙে কংগ্ৰেছ দলত যোগদান কৰে। গিৰিধৰ গামাঙে কংগ্ৰেছত যোগদান কৰি কয় যে কংগ্ৰেছ দেশৰ একমাত্ৰ দল যিয়ে নীতিগত ৰাজনীতি কৰে। কংগ্ৰেছে মোক ১১ বাৰ টিকট দিছিল৷ যি কাম আন কোনো দলে কৰিব নোৱাৰে। মই আন এটা দলত আছিলো, কিন্তু কেৱল কংগ্ৰেছেহে সন্মান দিব জানে। ৰাহুল গান্ধীয়ে গ্ৰহণ কৰা পদক্ষেপ ৰাজনৈতিক নহয়, কিন্তু সাংবিধানিক। আমি ন্যায়, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনীতিৰ বাবে যুঁজ অব্যাহত ৰাখিম বুলিও কয় গামাঙে৷ ২০১৫ চনত কংগ্ৰেছ ত্যাগ কৰিছিল ৮০ বছৰীয়া ওড়িশাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গিৰিধৰ গামাঙে৷ ১৯৭২ চনৰ পৰা ২০০৪ চনৰ ভিতৰত নবাৰ ওড়িশাৰ কোৰাপুট লোকসভাৰ সাংসদ নিৰ্বাচিত হয়৷ ২০১৫ চনত কংগ্ৰেছৰ পৰা প্ৰস্থান কৰাৰ পিছতে বিজেপিত যোগদান কৰিছিল। ২০২৩ চনৰ জানুৱাৰীত বিজেপি ত্যাগ কৰাৰ অন্তত কে. চন্দ্ৰশেখৰ ৰাও নেতৃত্বাধীন ভাৰত ৰাষ্ট্ৰ সমিতিত যোগদান কৰিছিল। তাৰ পাছতে আজি পুত্ৰ শিশিৰ গামাঙে কংগ্ৰেছ নেতা অজয় বসুৰ সৈতে বৈঠকত মিলিত হয়। তাৰ পাছতে গিৰিধৰ গামাং, পত্নী হেমা আৰু পুত্ৰ শিশিৰে কংগ্ৰেছত যোগদান কৰে। ১৯৯৯ চনত গিৰিধৰ গামাঙে অটল বিহাৰী বাজপেয়ী চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱত বিতৰ্কিতভাৱে ভোট দান কৰিছিল৷ যদিও তেওঁ ওড়িশা মুখ্যমন্ত্ৰী আছিল৷ ১৯৯৯ চনৰ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিল কিন্তু লোকসভা আসনৰ পৰা পদত্যাগ কৰা নাছিল। দেশৰ জনজাতীয় নেতাসকলৰ ভিতৰত গণ্য কৰা গামাঙে ১৯৭২-২০০৪ চনলৈ ৯বাৰকৈ কোৰাপুট সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল৷ ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধী আৰু নৰসিংহ ৰাওৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰসমূহত ১১ বছৰ কেন্দ্ৰীয় মন্ত্ৰী আছিল। ১৯৯৯ চনৰ ১৮ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী পদত বহুৱাই৷ কিন্তু চুপাৰ ঘূৰ্ণীবতাহত ১০ হাজাৰ লোকৰ মৃত্যু হোৱাত ১৯৯৯ চনৰ ৬ ডিচেম্বৰত মুখ্যমন্ত্ৰীৰ পদ এৰিবলগীয়া হয়৷ ২০১৫ চনত কংগ্ৰেছৰ সৈতে ৪৩ বছৰীয়া সম্পৰ্কৰ সমাপ্তি ঘটাই দলত অপমান আৰু আত্মসন্মান হেৰুওৱাৰ অভিযোগ আনিছিল। গামাঙে শেষবাৰৰ বাবে ২০১৪ চনত কোৰাপুট আসনত প্ৰতিদ্বন্দ্বিতা কৰি বিজু জনতা দলৰ ঝিনা হিকাকাৰ হাতত পৰাজিত হৈছিল। ২০১৯ চনৰ বিধানসভা নিৰ্বাচনত পুত্ৰ শিশিৰ গামাঙে মাত্ৰ ১১ শতাংশ ভোট লাভ কৰাত পিতৃ-পুত্ৰৰ যুটিৰ প্ৰতি বিজেপিয়ে গুৰুত্ব কমাই দিছিল৷ গামাঙৰ উপৰিও সঞ্জয় ভোইয়েও কংগ্ৰেছত দলটোত যোগদান কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত টিকট নিদিয়াত কংগ্ৰেছ ত্যাগ কৰি বিজেপি দলত যোগদান কৰিছিল সঞ্জয় ভোইয়ে৷


# জোনমণিৰ ৰাভাৰ ঘৰত অলকা লাম্বা, মাতৃক শীঘ্ৰে ন্যায় প্ৰদানৰ দাবী

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সংস্কাৰী নহয় বুলি দাবী



**ই-সংবাদ, ১৭ জানুৱাৰীঃ** উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণৰত সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা লাম্বাই আজি ৰহস্যজনক দুৰ্ঘটনাত মৃত্যুক আকোৱালি লোৱা আৰক্ষী পৰিদৰ্শক জোনমণি ৰাভাৰ গুৱাহাটীৰ ঘৰলৈ গৈ মাতৃক সাক্ষাৎ কৰে। দুৰ্ভগীয়া মাতৃৰ সৈতে বাৰ্তালাপ কৰি অলকা লাম্বাই দুখৰ সমভাগী হোৱাৰ লগতে জোনমণি কাণ্ডৰ উচিত তদন্ত আৰু ন্যায়ৰ দাবী কৰে। চিবিআইৰ ফাষ্ট ট্ৰেক আদালতত ঘটনাৰ শুনানি অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জোনমণি ৰাভাৰ ঘৰলৈ এবাৰো নোযোৱাত প্ৰশ্ন উত্থাপন কৰে। অলকা লাম্বাৰ সন্মুখত জোনমণি ৰাভাৰ মাতৃয়ে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰে। জোনমণি ৰাভাৰ মাতৃয়ে কন্যাক স্মৰণ কৰি ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। জোনমণি ৰাভাৰ মৃত্যুৰ বিষয়ে গৃহ বিভাগে সকলো জানে বুলি কৈ ৰহস্যজনক কাৰণত জোনমণিৰ কাণ্ডৰ কথা পোহৰলৈ নাহিল বুলি আক্ষেপ কৰে। মাতৃয়ে আৰু কয় যে মোক টকা নালাগে। জোনমণিৰ উচিত বিচাৰ লাগে। কোনে হত্যা কৰিলে জোনমণিক, তাৰ বিচাৰ লাগে। তদন্তৰ নামত তদন্ত হৈ থাকিল যদিও বিচাৰ হ'লে আজিলৈ নহ'ল। আনহাতে গুৱাহাটীৰ ৰাজীৱ ভৱনত আজি অলকা লাম্বাই অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ বিশেষ সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰা নেত্ৰীসকলক প্ৰদেশ মহিলা কংগ্ৰেছৰ সাংগঠনিক স্থিতি শক্তিশালী কৰিবলৈ আহ্বান জনায়। অলকা লাম্বাই ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাক বিজেপিয়ে অন্যায় যাত্ৰা বুলি উপলুঙা কৰাত তীব্ৰ ক্ষোভ ব্যক্ত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাই ৭ হাজাৰ কিলোমিটাৰ যাত্ৰা কৰি দেখুৱাবলৈ কয়। বিজেপিৰ বাবে অন্যায় যাত্ৰা যদিও সাধাৰণ মানুহৰ বাবে এয়া ন্যায় যাত্ৰা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাদ দিয়ক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এনে যাত্ৰা কৰিব নোৱাৰে। মুখ্যমন্ত্ৰী-প্ৰধানমন্ত্ৰীৰ আৰাম কৰাৰ অভ্যাস হৈছে। অলকা লাম্বাই আৰু কয় কংগ্ৰেছৰ ভাৰত জোড়ো ন্যায় যাত্ৰাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভীতিগ্ৰস্ত হৈছে। মণিপুৰ হিংসাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কোনো ব্যৱস্থা নোলোৱাত আক্ৰমণ কৰি লাম্বাই কয় 'মণিপুৰ জ্বলি আছে। মণিপুৰলৈ যাবলৈ প্ৰধানমন্ত্ৰীৰ সময় নাই। কিন্তু সাগৰৰ তীৰত ফটো উঠিবলৈ সময় পাইছে মোদীয়ে। বিজেপিয়ে 'বেটী বচাও বেটী পঢ়াও' শ্ল'গান দিয়ে যদিও বিজেপিৰ দিনত মা-বেটী নিৰ্যাতিত হৈছে। নাৰী আজি ধৰ্ষণৰ বলি হৈছে। নিবনুৱা বৃদ্ধি হৈছে, মূল্যবৃদ্ধি হৈছে। মুখ্যমন্ত্ৰী হিমন্ত চৰকাৰৰ সমালোচনা কৰি অলকা লাম্বাই কয় অসমৰ মহিলাসকলক ১২০০ টকা মাহিলি দি মহিলা উন্নয়নৰ জয়গান গাইছে। আনফালে মুখ্যমন্ত্ৰীৰ পত্নীয়ে কোটি কোটি টকা আদায় কৰিছে। হিমন্ত বিশ্ব শৰ্মাই অন্তৰ আত্মাৰ প্ৰতি দৃষ্টি দিয়া উচিত। হিমন্ত বিশ্ব শৰ্মাক সংস্কাৰী নহয় বুলি অভিযোগ উত্থাপন কৰি যি লোকে নিজ ধৰ্ম পালন নকৰে সেইজন লোকে সংস্কাৰ আৰু ধৰ্মৰ কথা কোৱাৰ অধিকাৰ নাই বুলিও কয় অলকা লাম্বাই।

# অসমৰ মুখ্যমন্ত্ৰীক অৰ্পণ পশ্চিমবংগক গেৰুৱা কৰাৰ বিশেষ দায়িত্ব



- পশ্চিমবংগৰ শীৰ্ষ বিজেপি নেতাৰ সৈতে বৈঠক
- হঠাৎ কলকাতা ভ্ৰমণৰ পিছতেই চৰ্চা আৰম্ভ

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে পশ্চিমবংগ বিজেপিৰ কাণ্ডাৰীৰ ৰূপত দেখা যাব পাৰে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। গেৰুৱা শিৱিৰৰ কেন্দ্ৰীয় সমিতিৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি আগন্তুক লোকসভা নিৰ্বাচনত অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ হাতত পশ্চিমবংগৰ প্ৰাৰ্থী বাছনিৰ ভাৰ অৰ্পণ কৰিব পাৰে শীৰ্ষ নেতৃত্বই। উল্লেখ্য যে, পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ পূৰ্বে তৃণমূল কংগ্ৰেছৰ কেইবাগৰাকীও নেতা, মন্ত্ৰী, বিধায়ক তথা সাংসদে বিজেপিত যোগদান কৰিছিল। এই যোগদানে গেৰুৱা শিৱিৰক শক্তিশালী কৰিব বুলিও আশা কৰা হৈছিল। আন দলৰ পৰা বেছিভাগ নেতাকেই টিকট প্ৰদান কৰি নিৰ্বাচনী ৰণাঙ্গনত নমাইছিল বিজেপিয়ে। ইয়াৰোপৰি অভিনয় জগতৰ সৈতে জড়িত কেইবাজনকো গেৰুৱা বসন পিন্ধাই প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছিল। ৰাজ্যখনত বিজেপিৰ এই 'যোগদান মেলা'ৰ নেতৃত্ব দিছিল মুকুল ৰায়ে। আনহাতে মুকুল ৰায়ৰ সিদ্ধান্তত ছীল-মোহৰ মাৰিছিল ৰাজ্যখনৰ বাবে নিযুক্তি দিয়া কেন্দ্ৰীয় বিজেপিৰ পৰ্যবেক্ষক কৈলাশ বিজয়বৰ্গীয়ই। কিন্তু এতিয়া মুকুল ৰায় বিজেপিৰ বিধায়ক হ'লেও বিজেপিত নাই। একেদৰে কৈলাশ বিজয়বৰ্গীয়ও বৰ্তমান মধ্যপ্ৰদেশৰ মন্ত্ৰী। এনে পৰিপ্ৰেক্ষিতত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ৰাজ্যখনত মুকুল-কৈলাশৰ দায়িত্ব অৰ্পণ কৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। উল্লেখ্য যে, শেহতীয়াকৈ বিজেপিয়ে দলটোৰ সকলো নিখিল ভাৰতীয় সাধাৰণ সম্পাদকক সুকীয়া দায়িত্ব প্ৰদান কৰিছে। কিন্তু খবৰ অনুসৰি কৈলাশ বিজয়বৰ্গীয়ক তেনে কোনো দায়িত্ব এইবাৰ প্ৰদান কৰা হোৱা নাই। তেওঁৰ ঠাইত উপ-সভাপতিৰ পদত অধিষ্ঠিত বৈজয়ন্ত জয় পাণ্ডাক সুকীয়া দায়িত্ব প্ৰদান কৰা হৈছে। ইফালে বংগৰ দায়িত্বত থকা সৰ্বভাৰতীয় সাধাৰণ সম্পাদক সুনীল বংশালক অৰ্পণ কৰা হৈছে বংগৰ লগতে ওড়িশা আৰু তেলেংগানাৰো সাংগঠনিক দায়িত্ব। বিজেপিৰ আটাইতকৈ দক্ষ নেতা হিচাপে পৰিচিত সুনীলে দলটোৰ আটাইতকৈ শক্তিশালী ফ্ৰণ্টৰ অল ইণ্ডিয়া অবজাৰ্ভাৰৰ দায়িত্বও লাভ কৰিছে। সাংগঠনিক ৰদ-বদলৰ মাজতে বিজেপিয়ে বংগত যুৱ মৰ্চাৰ জৰিয়তে নতুন আৰু যুৱ ভোটাৰক গেৰুৱা শিৱিৰলৈ আকৰ্ষিত কৰাৰ পৰিকল্পনাও প্ৰস্তুত কৰিছে। এই লক্ষ্যৰেই ২৫ জানুৱাৰীত প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠিত কৰিব 'নৱ মতদাতা সন্মিলন'। এনে পৰিস্থিতিত বংগৰ অন্য দলৰ নেতা-মন্ত্ৰীৰ 'হাইজেক'ৰ দায়িত্ব অৰ্পণ কৰা হৈছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। অন্যহাতে লোকসভা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় বিজেপিয়ে গঠন কৰা মূল সমিতিখনৰ তুলনামূলকভাৱে সৰু অন্যান্য পিছপৰা শ্ৰেণীৰ মৰ্চাৰ দায়িত্বত আছে সৰ্বভাৰতীয় সাধাৰণ সম্পাদক বিনোদ তাওড়ে। ইয়াৰ সমান্তৰালকৈ সমগ্ৰ দেশৰ আন দলৰ নেতাৰ লগত যোগদান কৰিবলৈ যি সমিতি গঠন কৰা হৈছে, সেই সমিতিখনক মহাৰাষ্ট্ৰৰ প্ৰাক্তন শিক্ষামন্ত্ৰীগৰাকীক মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে। সেই সমিতিখনত স্থান দিয়া হৈছে বিজেপিত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা হিমন্ত বিশ্ব শৰ্মাকো। কিন্তু এনে সমিতিৰ দায়িত্বত হিমন্ত আছে নে নাই সেই প্ৰশ্নত মৌনতা অৱলম্বন কৰিছে ৰাজ্যিক নেতাসকলে। প্ৰসংগক্ৰমে যোৱা দেওবাৰে সন্ধিয়া নিজেই কেইঘণ্টামানৰ বাবে কলকাতাত উপস্থিত হৈছিল হিমন্ত বিশ্ব শৰ্মা। ৰাজ্যিক বিজেপিৰ সভাপতি সুকান্ত মজুমদাৰ, সাধাৰণ সম্পাদক জগন্নাথ চেটাৰ্জী আৰু তৃণমূলৰ পৰা বিজেপিত যোগদান কৰা বিষ্ণুপুৰৰ সাংসদ সৌমিত্ৰ খানে বিমানবন্দৰত আদৰণি জনায় অসমৰ মুখ্যমন্ত্ৰীগৰাকীক। বিজেপিৰ সূত্ৰ অনুসৰি দেওবাৰে হিমন্তই ৰাজ্যৰ শীৰ্ষ নেতৃত্বৰ সৈতে বৈঠকত মিলিত হয়। মঙলবাৰেও ডঃ শৰ্মাই তৃণমূলৰ পৰা বিজেপিত যোগদান কৰি কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী হোৱা নিশিত অধিকাৰীৰ সৈতে বৈঠকত মিলিত হয়। অৱশ্যে এই বৈঠকৰ কাৰণ কি আছিল সেই সন্দৰ্ভত এতিয়ালৈকে কোনো পক্ষই মুখ খোলা নাই।

# শিৱসাগৰৰ পৰা লণ্ডনলৈ ৰপ্তানি ১,০০০ কিলোগ্ৰাম উৰহী






**ই-সংবাদ, ১৭ জানুৱাৰীঃ** ‘পথাৰ আমাৰ-বজাৰ আমাৰ’ শ্ল’গান দি আহিছে ৰাজ্য চৰকাৰে৷ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে আত্মনিৰ্ভৰশীল অসমৰ গঢ়াৰ সপোন দেখি এই শ্ল’গান আওৰাই আহিছে৷ এই শ্ল’গান যেন ক্ৰমান্বেয় বাস্তৱ হ’ব ধৰিছে৷ অসমৰ খেতিয়কে বিদেশলৈ উৎপাদিত সামগ্ৰী ৰপ্তানী কৰিবলৈ আৰম্ভ কৰিছে৷ অসমৰ খেতিয়কে বিমান যোগে উৎপাদিত সামগ্ৰী বিদেশলৈ প্ৰেৰণ কৰি ধন ঘটিবলৈ আৰম্ভ কৰিছে৷ এইবাৰ অসমৰ খেতিয়কে লণ্ডনলৈ ১,০০০ কিলোগ্ৰাম উৰহী ৰপ্তানি কৰিছে৷ শিৱসাগৰ জিলাৰ পৰা দ্বিতীয়বাৰৰ বাবে ১,০০০ কেজি উৰহী ৰপ্তানি কৰা বুলি জানিব পৰা গৈছে৷ শিৱসাগৰ জিলাৰ নিতাইপুখুৰীৰ দিহিংপৰীয়াৰ কৃষক উৎপাদক কোম্পানীয়ে উৰহী লণ্ডনলৈ প্ৰেৰণ কৰিছে৷ দিহিংপৰীয়া কৃষি গোটটোৰ নাম হৈছে ‘মাষ্টাৰ্ড কৃষক’৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ কৃষকে বিদেশলৈ সামগ্ৰী ৰপ্তানি কৰাত আনন্দ প্ৰকাশ কৰে৷ মুখ্যমন্ত্ৰীয়ে কয় যে এই খবৰ লাভ কৰি আনন্দিত হৈছো। আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ কৃষিজাত সামগ্ৰীৰ বৰ্ধিত চাহিদাই আমাৰ কৃষকসকলৰ কঠোৰ পৰিশ্ৰমক স্বীকৃতি প্ৰদান কৰিছে। কৃষিখণ্ডলৈ এক যোগাত্মক পৰিৱৰ্তন অনাৰ বাবে আমাৰ চৰকাৰে গ্ৰহণ কৰি অহা প্ৰচেষ্টাই কৃষকসকলক নতুন উৎসাহ যোগাব। আনহাতে কৃষি মন্ত্ৰী অতুল বৰাই এয়া আশাৰ বতৰা বুলি কয়৷ কৃষি মন্ত্ৰী অতুল বৰাই কয় যে অসমৰ কৃষক বন্ধুসকলৰ বাবে অতি উৎসাহজনক আৰু আনন্দৰ বতৰা এয়াই যে প্ৰথম পৰ্যায়ত ৫০০ কেজি উৰহী ৰপ্তানি কৰাৰ পাছত খুব কম সময়ৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে দিহিংপৰীয়াৰ কৃষক উৎপাদক কোম্পানীৰ কৃষকসকলে উৎপাদন কৰা ১,০০০ কেজি উৰহী লণ্ডনৰ বজাৰলৈ বিক্ৰী কৰে। প্ৰতিগৰাকী কৃষকক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি অতুল বৰাই খেতিপথাৰলৈ নতুন উৎসাহৰে কৃষকক ওলাই অহাৰ আহ্বান জনায়। শস্য ৰপ্তানিৰ এই ধাৰা অনাগত দিনসমূহত অধিক বৃদ্ধিৰে ৰাজ্যখনৰ কৃষি অৰ্থনীতিত এক নতুন বিপ্লৱৰ সূচনা কৰিবলৈ আহ্বান জনায় মন্ত্ৰী বৰাই৷

# এপিএছচিৰ ফলাফল, শীৰ্ষত ৰচিকা

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** সততে বিভিন্ন বিষয়ত মুছলমানৰ লৈ বিতৰ্কিত মন্তব্য প্ৰদান কৰিলেও তেওঁৰ দিনত মুছলমান মানুহ অসমত ফুৰ্তিত থকা বুলি দাবী কৰিছিল৷ আনহাতে মুছলমান লৰা ছোৱালীয়ে চাকৰি পাইছে বুলিও দাবী কৰিছিল৷ মুখ্যমন্ত্ৰীৰ দাবীয়েই যেন আকৌ এবাৰ সত্য প্ৰমাণিত হ’ল৷ অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে৷ ঘোষিত ফলাফল অনুসৰি অসামৰিক সেৱাত শীৰ্ষ স্থান দখল কৰিছে ধুবুৰীৰ ৰচিকা ইছলামে৷ চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান দখল কৰা ৰচিকা ইছলামৰ ঘৰ ধুবুৰী জিলাৰ গৌৰীপুৰত৷ দ্বিতীয় স্থান লাভ কৰিছে কামৰূপৰ মিৰ্জাৰ দীক্ষিত দাসে৷ তৃতীয় স্থান লাভ কৰিছে ডিব্ৰুগড়ৰ ডিগবৈৰ বিথপী গগৈয়ে৷ উল্লেখ্য যে, অসম লোকসেৱা আয়োগে ৯১৩টা পদৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰিছিল৷ ঘোষিত ফলাফল অনুসৰি অসামৰিক সেৱাত ৮৬ জন উত্তীৰ্ণ হৈছে৷ অসম আৰক্ষী সেৱাত ৬৫ জন উত্তীৰ্ণ হৈছে৷ অসম আৰক্ষী সেৱাত প্ৰথম স্থান হোজাইৰ ৰোহিত চৌধুৰী, দ্বিতীয় আৰু তৃতীয় স্থানত শ্ৰেয়া আগৰৱাল আৰু ভাৰ্গিছৰ্গি কুমাৰ ডেকাই স্থান লাভ কৰিছে৷ প্ৰাৰম্ভিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল প্ৰায় ৭৪ হাজাৰ পৰীক্ষাৰ্থী৷ প্ৰাৰম্ভিক পৰীক্ষাত ১০,১৪৮ জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছিল৷

# বেয়া বতৰ! ৰাষ্ট্ৰপতিৰ কাৰ্বি যুৱ মহোৎসৱৰ কাৰ্যসূচী বাতিল

## মুখ্যমন্ত্ৰীয়েই চালে কাৰ্বি ডেকা-গাভৰুৰ নৃত্য



**ই-সংবাদ, ১৭ জানুৱাৰীঃ** তিনিদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ-পূৰ্বাঞ্চললৈ অহা ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুৱে আজি এক বিশেষ কাৰ্যসূচী বাতিল কৰিবলৈ বাধ্য হয়৷ পাহাৰীয়া জিলা কাৰ্বি আংলং জিলাৰ তাৰালাংচ'ত অনুষ্ঠিত কাৰ্বি যুৱ মহোৎসৱৰ কাৰ্যসূচী বাতিল কৰিবলগীয়া হয়৷ বতৰৰ বাবে ভ্ৰমণ বাতিল কৰা হৈছে বুলি উল্লেখ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা ভিডিঅ' বাৰ্তা যোগে শীঘ্ৰে উৎসৱত অংশ কৰাৰ কথা প্ৰকাশ কৰে৷ এজন জ্যেষ্ঠ বিষয়াই কয় যে ৰাষ্ট্ৰপতিগৰাকীয়ে মেঘালয়ৰ শ্বিলঙত চাৰি ঘণ্টাতকৈও অধিক সময় ধৰি আবদ্ধ হৈ পৰে৷ কিয়নো বেয়া বতৰৰ বাবে হেলিকপ্টাৰ উৰা মাৰিব পৰা নাই। ৰাষ্ট্ৰপতিয়ে কাৰ্বি যুৱ মহোৎসৱৰ সোণালী জয়ন্তী উদযাপনৰ কাৰ্যসূচীত উপস্থিত থকাটো পূৰ্বেই নিৰ্ধাৰণ কৰা হৈছিল৷ আনহাতে কাৰ্বি যুৱ মহোৎসৱত অতিথি হিচাপে উপস্থিত থাকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা৷ ৫০ তম কাৰ্বি যুৱ মহোৎসৱত কাৰ্বি ডেকা-যুৱতীয়ে প্ৰদৰ্শন কৰা সুন্দৰ গীত-নৃত্য গীতত আপ্লুত হয় মুখ্যমন্ত্ৰী৷ কাৰ্বি যুৱ মহোৎসৱৰ জৰিয়তে কাৰ্বি সমাজৰ প্ৰাচীন আৰু চহকী সংস্কৃতি বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিব প্ৰয়াস কৰা কাৰ্যক প্ৰশংসা কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে যুৱ মহোৎসৱত ভাষণ প্ৰদান কৰি আৰু কয় কাৰ্বি যুৱ মহোৎসৱ উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ পুৰণি জনজাতীয় মহোৎসৱসমূহৰ ভিতৰত অন্যতম। যুৱশক্তিক প্ৰাধান্যৰে পঞ্চাশ বছৰজোৰা পৰিক্ৰমাৰে মহোৎসৱে কাৰ্বিসকলৰ অনন্য সংস্কৃতিক প্ৰতিনিধিত্ব কৰি আহিছে৷ যুৱ প্ৰজন্ম আমাৰ বাবে সাংস্কৃতিক নৱজাগৰণৰ অগ্ৰদূতস্বৰূপ৷ যুৱ প্ৰজন্মই কাৰ্বি সমাজৰ বৰ্ণিল সংস্কৃতিক প্ৰচাৰ আৰু প্ৰসাৰত অৰিহনা যোগাই আহিছে।

# ‘বেণ্ডিত কুইন’খ্যাত অসম কন্যা সীমা বিশ্বাসক ওপজা দিনৰ শুভেচ্ছা

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** ‘বেণ্ডিত কুইন’ নামৰ হিন্দী বোলছবিত দুৰ্দান্ত অভিনয় কৰি বিখ্যাত হৈ পৰা সীমা বিশ্বাসৰ আজি ওপজা দিন৷ অসমৰ পৰা অভিনয়ৰ যাত্ৰা আৰম্ভ কৰা সীমা বিশ্বাসক আজি ওপজা দিনটোত দেশৰ বিখ্যাত লোকসকলে শুভেচ্ছা জ্ঞাপন কৰি দীৰ্ঘায়ু হোৱাৰ কামনা কৰে৷ ১৯৬৫ চনৰ ১৪ জানুৱাৰীত নলবাৰী জিলাত জন্মগ্ৰহণ কৰা সীমা বিশ্বাস হিন্দী চিনেমাৰ সমান্তৰালকৈ মূলসুঁতিৰ চলচ্চিত্ৰত প্ৰভাৱশালী অভিনয় কৰি আহিছে৷ নতুন দিল্লীৰ নেচনেল স্কুল অৱ ড্ৰামাত অধ্যয়ন কৰা সীমাই ১৯৯৪ চনত শেখৰ কাপুৰৰ চলচ্চিত্ৰ বেণ্ডিত কুইনত ফুলন দেৱীৰ চৰিত্ৰত শক্তিশালী অভিনয় কৰি প্ৰসিদ্ধি লাভ কৰে। ‘বণ্ডিত কুইন’ এখন যুগান্তকাৰী চলচ্চিত্ৰ হিচাপে আজিও খ্যাত অৰ্জন কৰি আহিছে৷ ফুলন দেৱীয়ে তেওঁৰ সৈতে সংঘটিত দুষ্কাৰ্যৰ নিজেই পোতক ল’বলৈ হাতত বন্দুক তুলি লৈছিল। ধৰ্ষকাৰীক গুলীয়াই হত্যা কৰি পোতক লৈছিল৷ সীমা



বিশ্বাসে ফুলন দেৱীৰ শক্তিশালী চৰিত্ৰৰ অভিনয় কৰি যথেষ্ট প্ৰশংসাৰ লগতে শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান লাভ কৰে। জাতিক লৈ বৈষম্য, লিংগ-আধাৰিত হিংসা আৰু সামাজিক অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়াৰ শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল বেণ্ডিত কুইনে৷ ১৯৯৬ চনত সঞ্জয় লীলা ভাঞ্চালীৰ খামোচী- দ্য মিউজিকেলত মূকবধিৰ মহিলাৰ চৰিত্ৰত অভিনয় কৰি শ্ৰেষ্ঠ সহ-অভিনেত্ৰীৰ স্ক্ৰীণ বঁটা লাভ কৰিছিল। ২০০৫ চনত নিৰ্মিত বিংশ শতিকাৰ ভাৰতত বিধৱাসকলৰ কৰুণ জীৱনৰ ওপৰত আধাৰিত আন এখন প্ৰভাৱশালী চলচ্চিত্ৰ দীপা মেহতাৰ ৱাটাৰত শকুন্তলাৰ চৰিত্ৰত অভিনয় কৰিছিল সীমাই৷ ছবিখনৰ বাবে ২০০৬ চনৰ শ্ৰেষ্ঠ অভিনেত্ৰী জিনি বঁটা লাভ কৰিছিল। বিশ্বাসে হাজাৰ চৌৰাচী কি মা (১৯৯৮), শ্যাম বেনেগলৰ সমৰ (১৯৯৯), পিঞ্জাৰ (২০০৩), ভূত (২০০৩) আদি চলচ্চিত্ৰত স্মৰণীয় অভিনয় কৰিছে। ভিভা (২০০৬), কানাডিয়ান প্ৰযোজনা অমল (২০০৭), শৌৰ্য (২০০৮), মিডনাইটছ চিল্ড্ৰেন (২০১২) আৰু প্ৰশংসিত ৰেব চিৰিজ লেইলা (২০১৯) আৰু দ্য ফেমিলি মেনত (চিজন-২) অভিনয় কৰিছে৷ ২০০০ চনৰ সংগীত নাটক একাডেমী বঁটা প্ৰদান কৰা হয়৷ বহুমুখী প্ৰতিভা আৰু অভিনয়ৰ বাবে জনাজাত সীমা বিশ্বাসে ভাৰতীয় চলচ্চিত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে৷ যাৰ ফলত দৰ্শক আৰু সমালোচকসকলে প্ৰশংসা কৰি আহিছে৷

# ৰাম মন্দিৰৰ অনুষ্ঠানত ব্যৱহাৰৰ বাবে নিয়া ফটকাৰ ট্ৰাকত বিস্ফোৰণ

## তিনি ঘণ্টা ধৰি কঁপি থাকিল সমগ্ৰ উন্নাও অঞ্চল

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পূৰ্বেই ৰাম ৰাজ্যত সংঘটিত হ’ল এক ভয়ংকৰ অগ্নিকাণ্ড। মঙলবাৰে নিশা অযোধ্যাৰ ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানত ব্যৱহাৰৰ বাবে আমদানি কৰা ফটকাত হঠাৎ সংঘটিত হয় বিস্ফোৰণৰ ঘটনা। ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত ব্যৱহাৰৰ বাবে তামিলনাডুৰ এটা ফটকা কাৰখানাৰ পৰা এখন ট্ৰাকেৰে লৈ যোৱা হৈছিল ফটকাখিনি। ট্ৰাকখন উত্তৰ প্ৰদেশৰ উন্নাও পোৱাৰ সময়তে এটা সৰু দুৰ্ঘটনা সংঘটিত আৰু ইয়াৰ পিছতে ট্ৰাকখনত থকা ফটকাত ইটোৰ পিছত সিটোকৈ সংঘটিত বিস্ফোৰণে সমগ্ৰ অঞ্চলটো কঁপাই তোলে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰৰ মতে, তিনি ঘণ্টা ধৰি ট্ৰাকখনত একেৰাহে সংঘটিত হয় বিস্ফোৰণ। পিছত আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ ট্ৰাকখনৰ জুই নিৰ্বাপণ কৰে। অৱশ্যে ট্ৰাকখনত কেনেকৈ জুই লাগিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। প্ৰসংগক্ৰমে মঙলবাৰৰ ঘটনাটোত ছচিয়েল মিডিয়াত বহু লোকে উন্নাওৰ ইতিহাসৰ কথা সোঁৱৰাই দিছে। অপৰাধৰ ঘাটি হিচাপে পৰিগণিত হৈ অহা উন্নাওত ২০১৯ চনত এগৰাকী ভুক্তভোগীক জীৱন্তে জ্বলাই দিয়াৰ অভিযোগ উত্থাপন হৈছিল দুজন অভিযুক্তৰ বিৰুদ্ধে। এনে পৰিপ্ৰেক্ষিতত একাংশই পুনৰ ৰামায়ণৰ বিষয়টো মঙলবাৰৰ ঘটনাৰ সৈতে সাঙুৰি লোৱা দেখা গৈছে। তেওঁলোকে কয় যে সীতাক ৰাৱণৰ পৰা মুক্ত কৰিবলৈ ৰামভক্ত হনুমানে ৰাৱণৰ ৰাজ্য লংকাত জুই লগাইছিল। এই অনুষ্ঠান অযোধ্যা উৎসৱৰ আগৰ ঐশ্বৰিক লক্ষণ নেকি সেই প্ৰশ্নও উত্থাপন কৰিছে অনেকে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# আকৌ উত্তপ্ত মণিপুৰ, গ্ৰেনেড আক্ৰমণত আইআৰবি জোৱান নিহত

**ইম্ফল, ১৭ জানুৱাৰীঃ** মণিপুৰৰ পৰিস্থিতি ক্ৰমে ভয়াৱহ হৈ পৰিছে৷ মণিপুৰৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আকাশৰে নিৰীক্ষণৰ প্ৰয়োজন হৈ পৰিছে৷ ম্যানমাৰ সীমান্তৰ চহৰ মোৰেত আইআৰবিৰ জোৱানে প্ৰাণ হেৰুওৱাৰ পাছতে কেন্দ্ৰীয় চৰকাৰৰ পৰা তাৎক্ষণিকভাবে হেলিকপ্তাৰ বিচাৰিছে ৰাজ্য চৰকাৰে৷ শেহতীয়া অস্থিৰ পৰিস্থিতি চম্ভালিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ক এখন পত্ৰ লিখিছে৷ পত্ৰত পৰৱৰ্তী ৭ দিনৰ বাবে তাৎক্ষণিক হেলিকপ্টাৰ বিচৰা হৈছে৷ গৃহ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিবলৈ লিখা এখন পত্ৰত কোৱা হৈছে সীমান্তৱৰ্তী চহৰ মোৰেৰ আইন-শৃংখলা পৰিস্থিতি গুৰুতৰ উদ্বেগৰ বিষয় হৈছে৷ নিৰন্তৰ গুলীবৰ্ষণৰ ফলত ১৭ জানুৱাৰীত এজন আইআৰবি জোৱানৰ মৃত্যু হৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মোৰেহৰ অৱস্থা অধিক অৱনতি হ'ব পাৰে৷ যিকোনো সময়তে চিকিৎসাজনিত জৰুৰীকালীন অৱস্থা উদ্ভৱ হ'ব পাৰে। মণিপুৰ আৰক্ষীয়ে কয় যে সুৰক্ষা কৰ্মী, গোলাবাৰুদ আদি বিমানেৰে মোৰেহলৈ নিয়াৰ প্ৰয়োজন হ’ব পাৰে৷ যাৰ বাবে ৰাজ্য চৰকাৰে অনুগ্ৰহ কৰিছে যে হেলিকপ্টাৰ প্ৰদান কৰি জৰুৰীকালীন প্ৰয়োজনীয়তা পূৰণ কৰক৷ তাৎক্ষণিকভাৱে কমেও ৭ দিনৰ বাবে ইম্ফলত হেলিকপ্টাৰ ৰখাৰ আহ্বান জনাই ৰাজ্য চৰকাৰে। উল্লেখ্য যে, মণিপুৰৰ মোৰেহত ১৭ জানুৱাৰীত নিৰাপত্তাৰক্ষী আৰু সশস্ত্ৰ গোটৰ মাজত সংঘৰ্ষ লগাত আইআৰবিৰ এজন জোৱান নিহত হয়৷ জানিব পৰা মতে, প্ৰথন সশস্ত্ৰ গোটে মোৰেহৰ ইমা কণ্ডং লাইৰেম্বী দেৱী মন্দিৰৰ ওচৰত শুই থকা অৱস্থাত আইআৰবি জোৱানক আক্ৰমণ কৰে৷ তাৰ পাছতে দুয়োপক্ষৰ মাজত দুই দীৰ্ঘ সময় গুলীয়াগুলী লাগে৷ গুলীয়াগুলীত জোৱানৰ লগতে আন এগৰাকী সাধাৰণ লোক নিহত হয়৷ পাহাৰত থিতাপি লৈ নিৰাপত্তা বাহিনীক ৰকেট চালিত গ্ৰেনেডেৰে আক্ৰমণ কৰিছিল সশস্ত্ৰ গোটে। আইআৰবিৰ পোষ্টৰ পৰা ২০ মিটাৰ দূৰৰ অসম ৰাইফলছে বুলেট প্ৰুফ বাহন ব্যৱহাৰ কৰি প্ৰত্যুত্তৰ দিয়াত ৰক্ষা পৰে৷

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানক লৈ উৎফুল্লিত মুম্বাইৰ এটি মুছলমান পৰিয়াল!

## বিশেষ মুদ্ৰা লৈ অযোধ্যালৈ যাব শ্বাহবাজ

**ই-সংবাদ, ১৭ জানুৱাৰীঃ** ২২ জানুৱাৰীত অনুষ্ঠিত হ’বলগীয়া অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাক লৈ উৎফুল্লিত হৈ পৰিছে দেশবাসী। এই ভব্য অনুষ্ঠানত ৭ হাজাৰ অতিথিয়ে অংশগ্ৰহণ কৰিব। কেৱল হিন্দু ধৰ্মাৱলম্বীয়েই নহয়, দেশৰ মুছলমান সম্প্ৰদায়ৰ লোকো উৎফুল্লিত হৈ পৰিছে ৰাম মন্দিৰৰ অভিষেকক লৈ। তেনে এক মুছলমান পৰিয়ালেই হ’ল মুম্বাইৰ নিৱাসী শ্বাহবাজ ৰাথোড়ৰ পৰিয়াল। ৰাম মন্দিৰৰ অভিষেকৰ আনন্দত শ্বাহবাজ ৰাথোড়ৰ পৰিয়ালে প্ৰস্তুত কৰি উলিয়াইছে এটা বিশেষ মুদ্ৰা। স্বৰ্ণ বৰণৰ মুদ্ৰাৰ এটা পিঠিত ৰাম মন্দিৰৰ প্ৰতিৰূপ থকাৰ বিপৰীতে আনটো পিঠিত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নাম। এই পৰ্যন্ত ৩ হাজাৰ মুদ্ৰা প্ৰস্তুত কৰা মুছলমান পৰিয়ালটোৱে ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানলৈ অহা বিশেষ ৰামভক্তসকলৰ মাজত মুদ্ৰাখিনি বিতৰণ কৰাৰ ইচ্ছা ব্যক্ত কৰিছে। পৰিয়ালটোৱে কয় যে তেওঁলোকে শীঘ্ৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ হাতত অৰ্পণ কৰিব এই মুদ্ৰাখিনি। উল্লেখ্য যে, শ্বাহবাজ ৰাথোড়ৰ পত্নী প্ৰিয়া জন্মগতভাৱে এগৰাকী হিন্দু৷ মুম্বাইত এটা নিজাকৈ ফিল্ম প্ৰডাকচন হাউচ চলাই থকা প্ৰিয়া ৰাথোড়ে কয়, 'আমি প্ৰথম ভাৰতীয়, তাৰ পিছতহে মুছলমান।’ ইফালে শ্বাহবাজ ৰাথোড়ে কয় যে মুদ্ৰাখিনি প্ৰস্তুত কৰাৰ ধাৰণা অহাৰ পিছত প্ৰথমে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰিছিল যদিও কোনো সঁহাৰি নোপোৱাত উত্তৰ প্ৰদেশৰ যোগী চৰকাৰৰ সৈতে যোগাযোগ কৰে। অতি শীঘ্ৰে তেওঁলোকে মুদ্ৰাখিনি লৈ লক্ষ্ণৌত যোগী আদিত্যনাথক সাক্ষাৎ কৰিব বুলিও জানিবলৈ দিয়ে। এক বিশেষ ধাতুৰে নিৰ্মাণ কৰা সোণ বৰণীয়া এই মুদ্ৰাসমূহৰ চমক আগন্তুক দহ বছৰলৈ একেদৰেই থাকিব বুলিও দাবী কৰে পৰিয়ালটোৱে।

# ভাৰতৰ শীৰ্ষ দবা খেলুৱৈত পৰিণত প্ৰজ্ঞানন্দ



**নতুন দিল্লী, ১৭ জানুৱাৰীঃ** টাটা ষ্টিল মাষ্টাৰছ দবাৰ চতুৰ্থ ৰাউণ্ডত বৰ্তমান বিশ্ব চেম্পিয়ন চীনৰ ডিং লিৰেনক পৰাস্ত কৰি ভাৰতৰ শীৰ্ষ দবা খেলুৱৈত পৰিনত হৈছে পি প্ৰজ্ঞানন্দ। তেওঁ বিশ্বনাথন আনন্দক অতিক্ৰম কৰি দেশৰ এক নম্বৰ খেলুৱৈত পৰিণত হয়। আজিৰ জয়ৰে প্ৰজ্ঞানন্দই ২.৫ পইণ্টৰে প্ৰতিযোগিতাখনত তৃতীয় স্থানত আছে। নেদাৰলেণ্ডৰ আনিছ গিৰিয়ে ৩.৫ পইণ্ট লাভ কৰি টুৰ্ণামেণ্টখনত শীৰ্ষস্থানত আছে।

# দোষী সাব্যস্ত ছাঞ্চেছ ভিকাৰিঅ'

**বাৰ্চিলোনা, ১৭ জানুৱাৰীঃ** প্ৰাক্তন টেনিছ তাৰকা আৰাঞ্জা ছাঞ্চেছ ভিকাৰিঅ'ক আৰু তেওঁৰ পূৰ্বৰ স্বামী স্পেইনৰ এখন আদালতে এটি প্ৰৱঞ্চনাৰ গোচৰত দোষী সাব্যস্ত কৰিছে। এটি প্ৰতিষ্ঠান আদায় দিবলগীয়া থকা কেইবা নিযুত ইউৰো আদায় দিব নোৱাৰি তেওঁলোক দুয়োজনে সম্পত্তি কমকৈ দেখুৱাই। বিশ্ব ৰেংকৰ প্ৰাক্তন শীৰ্ষ খেলুৱৈ গৰাকীক আদালতে দুবছৰৰ কাৰাদণ্ড প্ৰদান কৰে যদিও প্ৰথম অপৰাধ বাবে তেওঁ কাৰাগাৰৰ বন্ধ কোঠাত থাকিব নালাগে বুলি আদালতৰ নিৰ্দেশনাটোত কোৱা হৈছে।



■ কুৱেইটত আৰবিয়ান ঘোঁৰাৰ বিশেষ খেল প্ৰদৰ্শন

# পাকিস্তানী স্বামীক এৰিবলৈ প্ৰায় সাজু ছানিয়া মিৰ্জা!

**অনলাইন ফিচাৰ্ছ, ১৭ জানুৱাৰীঃ** পাকিস্তানী ক্ৰিকেটাৰ স্বামী শ্বোৱেইব মালিকৰ পৰা পৃথক হ'ব নেকি ভাৰতীয় টেনিছ তাৰকা ছানিয়া মিৰ্জা? ২০২২ চনৰ পৰাই চৰ্চিত হৈ অহা তাৰকা দম্পতীহালৰ বিবাহ বিচ্ছেদৰ উৰা বাতৰিত এইবাৰ পুনৰ ইন্ধন যোগাইছে ছানিয়া মিৰ্জাৰ আন এক ছ'চিয়েল মিডিয়া পোষ্টে। পূৰ্বেও সামাজিক মাধ্যমত বিবাহ বিচ্ছেদ সম্পৰ্কীয় বিভিন্ন পোষ্ট শ্বেয়াৰ কৰি তেওঁলোকক বিবাহ বিচ্ছেদৰ খবৰক ৰহস্যঘন কৰি তোলা ছানিয়াৰ আন এক পোষ্টে এতিয়া সামাজিক মাধ্যমত লাভ কৰিছে যথেষ্ট চৰ্চা। বুধবাৰে পুৱা ছানিয়াই নিজৰ ইনষ্টাগ্ৰাম ষ্টৰীত এটা পোষ্ট শ্বেয়াৰ কৰে। এই পোষ্টটোত লিখা আছে- "বিবাহ কঠিন। বিবাহ বিচ্ছেদ কঠিন। আপোনাৰ কঠিনতম বাছি লওক। মেদবহুলতা কঠিন। ফিট হৈ থকাটো কঠিন। আপোনাৰ কঠিনতম বাছি লওক। ঋণগ্ৰস্ত হোৱাটো কঠিন। আৰ্থিকভাৱে অনুশাসিত হৈ থকাটো কঠিন। আপোনাৰ কঠিনতম বাছি লওক। যোগাযোগ কঠিন। যোগাযোগ নকৰাটো কঠিন। আপোনাৰ কঠিনতম বাছি লওক। জীৱনটো কেতিয়াও সহজ নহ'ব। সদায় কঠিন হৈ থাকিব। কিন্তু আমি আমাৰ কঠোৰ পৰিশ্ৰম বাছি ল'ব পাৰো। বুদ্ধিমত্তাৰে বাছি লওক।" ছানিয়া মিৰ্জাৰ এই পোষ্টৰ পিছতে তেওঁলোকৰ বিবাহ বিচ্ছেদক লৈ পুনৰ নেটিজেনৰ মাজত আৰম্ভ হৈছে চৰ্চা। এনে এক পোষ্টৰ জৰিয়তে ছানিয়াই নিজৰ বিবাহ বিচ্ছেদৰ ইংগিত দিয়া বুলিও বিভিন্নজনে সন্দেহ কৰিছে। ইফালে ছানিয়া আৰু শ্বোয়েইব মালিকৰ বিচ্ছেদৰ অহৰহ উৰাবাতৰি চলি থকাৰ পাছতো শেহতীয়াকৈ সাঁতোৰ প্ৰতিযোগিতাত পুত্ৰ ইজহানৰ সফলতা একেলগে উদযাপন কৰা দেখা যায় দম্পতীহালক। উল্লেখ্য যে, ২০১০ চনত পাক ক্ৰিকেটাৰ শ্বোয়েইব মালিকৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছিল ভাৰতীয় টেনিছ তাৰকা ছানিয়া মিৰ্জা। ২০২২ চনৰ পৰাই দুয়োৰে বিবাহ বিচ্ছেদৰ খবৰে সামাজিক মাধ্যমত যথেষ্ট চৰ্চা লাভ কৰি আহিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান